**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 26-08-2026

**Time :** 1845 Hrs.

***Assamese Evening Bulletin***

**<u>HEADLINE</u>**

০০০০০

১।	নেপালৰ আকস্মিক বানত ১০৫গৰাকী ভাৰতীয় নাগৰিক সন্ধানহীন। ভাৰতীয় দূতাবাসৰ জৰুৰীকালীন নম্বৰ মুকলি।

২।	স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলৰ ৬০ দিনীয়া বিস্তৃত আই ই চি অভিযান মুকলি।

৩।	প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত ৰাজ্যত প্ৰায় ৪ লাখ নতুন পকীঘৰৰ অনুমোদন।

৪।	মৰাণ স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উচ্চ শিক্ষা সাহায্য আঁচনিৰ এককালীন সাহায্য বিতৰণ।

**আৰু**

৫।	কলম্বো টেষ্টৰ চতুৰ্থ দিনা দ্বিতীয় ইনিংছত শ্ৰীলংকাৰ বিপৰ্যয়। ৬ উইকেটত ২২৯ ৰাণ সংগ্ৰহ।

০০০০০

আজি পুৱা নেপালৰ ভোটকোশী নদীত অহা আকস্মিক বানে ৰাছোৱা অঞ্চল বিধবস্ত কৰাৰ পাছত চুবুৰীয়া দেশখনত ১০৫গৰাকী ভাৰতীয় নাগৰিককে ধৰি ৩৮৪জন পৰ্যটক সন্ধানহীন হৈ আছে। নেপাল পৰ্যটন পৰিষদৰ তথ্য অনুযায়ী পৰ্যটকসকলৰ ভিতৰৰ ৯৩গৰাকী নেপালী নাগৰিক। ভাৰতৰ বাদেও অষ্ট্ৰেলিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰ, মালয়েছিয়া, দক্ষিণ আফ্ৰিকা আৰু নেডাৰলেণ্ডছৰ নাগৰিক এই বানত সন্ধানহীন হৈ আছে বুলি পৰিষদে জানিবলৈ দিছে। অৱশ্যে এই পৰিসংখ্যা প্ৰাৰম্ভিক বুলি স্পষ্ট কৰি বিভিন্ন পৰ্যটন সংস্থা আৰু স্থানীয় প্ৰশাসনীয় গোটৰ সহযোগত পৰ্যটন পৰিষদে অচিৰেই এই সন্দৰ্ভত সঠিক তথ্য আগবঢ়াব বুলি অৱগত কৰে। পৰ্যটন পৰিষদে পৰ্যটক আৰু তেওঁলোকৰ পৰিয়ালৰ বাবে জৰুৰীকালীন যোগাযোগ নম্বৰ প্ৰকাশ কৰিছে। টʼল ফ্ৰী নম্বৰ ১২৩৪, হটলাইন ১১৪৪ আৰু পৰ্যটন আৰক্ষীৰ নম্বৰ ৯৮৫১২৮৯৪৪৫ৰ জৰিয়তে বান ক্ষতিগ্ৰস্তসকলৰ বিষয়ে তথ্য লাভ কৰিব পৰা যাব। ইয়াৰ লগতে পৰ্যটক তথা তেওঁলোকৰ শুভাকাংক্ষীসকলক যথাসম্ভৱ সুস্থিৰতা আৰু চৰকাৰী মাধ্যমৰ জৰিয়তে লাভ কৰা সঠিক তথ্যৰে আগবাঢ়িবলৈ নেপাল পৰ্যটন পৰিষদে অনুৰোধ কৰিছে। অভূতপূৰ্ব জৰুৰীকালীন পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি নেপালৰ প্ৰধানমন্ত্ৰী বালেন্দ্ৰ শ্বাহে ৰাছোৱা, নুৱাকোট, ধাদিং, গোৰ্খা আৰু চেটৱানকে ধৰি প্ৰভাৱিত অঞ্চলসমূহৰ যুক্তৰাষ্ট্ৰীয় সংসদীয় সদস্যসকলৰ সৈতে আলোচনা কৰে। এই আলোচনাত বানত ক্ষতিগ্ৰস্ত অঞ্চলসমূহত উদ্ধাৰ তথা সাহায্য অভিযানত গুৰুত্ব আৰোপ কৰা হয়। শ্ৰীশ্বাহে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা পৰিষদৰ সৈতেও এখন বৈঠকত মিলিত হয়।

কাঠমাণ্ডুত থকা ভাৰতীয় দুতাবাসে ভাৰতীয় নাগৰিকসকলক সহায় কৰাৰ বাবে দুটা জৰুৰীকালীন নম্বৰ মকুলি কৰিছে। বানপীড়িত ভাৰতীয়ই ৯৭৭৯৮৫১৩১৬৮০৭ আৰু ৯৭৭৯৭০৯১০৭৫০০ নম্বৰ ফোন নম্বৰলৈ ফোন কৰিব পাৰিব।

০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অধীনত এইচ আই ভি সন্দৰ্ভত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে ৰাজ্যৰ প্ৰতিখন জিলাত আজিৰে পৰা ৬০ দিনীয়া বিস্তৃত আই ই চি অভিযান আৰম্ভ কৰা হৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলে ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত এই অভিযান মুকলি কৰে। অনুষ্ঠানত সাংসদ যোগেন মহন, চাহ জনগোষ্ঠী আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়ক চক্ৰধৰ গগৈৰ লগতে জিলা আয়ুক্ত বিক্ৰম কৈৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অতিৰিক্ত সচিব মুনীন্দ্ৰ নাথ ঙাটেকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি শ্ৰীসিংহলে কয়, যে এইচ আই ভি সংক্ৰমণৰ বিভিন্ন দিশ সন্দৰ্ভত সজাগতা সৃষ্টি তথা এইডছত আক্ৰান্ত লোকৰ প্ৰতি বৈষম্য দূৰ কৰা, এইচ আই ভি আৰু এইডছ্ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ আইন বিষয়ক জ্ঞানৰ প্ৰসাৰ, ৰাষ্ট্ৰীয় এইডছ্ নিয়ন্ত্ৰণ কাৰ্য্যসূচীৰ অধীনৰ অন্যান্য সেৱা আদিৰ বিষয়ে জনসাধাৰণক অৱগত কৰোৱাৰ বাবে দুমাহজোৰা কাৰ্য্যসূচী আৰম্ভ কৰা হৈছে।

-বাইট(সিংহল)-

আজিৰ অনুষ্ঠানত আই ই চি অভিযান সন্দৰ্ভত এখন চমু তথ্যচিত্ৰ প্ৰদৰ্শনৰ উপৰি সাংস্কৃতিক কাৰ্য্যসূচী অনুষ্ঠিত হয়।

উল্লেখযোগ্য যে, ৰাজ্যৰ ৩৫ খন জিলাৰ ৩ হাজাৰ ৯০০ খন গাঁৱৰ ৮০ হাজাৰটা পৰিয়ালৰ প্ৰায় ৫ লাখ লোকক এই অভিযানে সামৰি ল'ব। ৰাজ্যৰ ৫০০ খন বিদ্যালয়, ২০০ মহাবিদ্যালয় আৰু ১০০ খন চৰকাৰী চিকিৎসালয়ক সামৰি আই ই চি অভিযান চলোৱা হ'ব। এই সময়ছোৱাত স্থানীয় লোক, গাঁওবুঢ়া, পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ প্ৰতিনিধিসকলৰ সৈতে সজাগতা সভা অনুষ্ঠিত কৰা হ'ব। তদুপৰি, বিভিন্ন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ৰেড ৰিবণ ক্লাবৰ জৰিয়তে এইচ আই ভি আৰু যৌন সংক্ৰমিত ৰোগ সন্দৰ্ভত সজাগতা সৃষ্টি কৰা হ'ব। চৰকাৰী চিকিৎসালয়সমূহত ১০০ টা বিশেষ শিৱিৰ আয়োজন কৰি বিনামূলীয়াকৈ এই ৰোগৰ পৰীক্ষা, পৰামৰ্শদান আৰু চিকিৎসা প্ৰদানৰ পৰিকল্পনা কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে কেন্দ্ৰীয় চৰকাৰে অসমৰ হিতাধিকাৰীসকলৰ বাবে ৩ লাখ ৮৬ হাজাৰ ৫০৭ টা নতুন পকীঘৰৰ অনুমোদন দিছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী অতুল বৰাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। তেওঁ কয়, যে এই অভিলাষী প্ৰকল্পৰ বাবে ৫ হাজাৰ ২৪ দশমিক ৬-১ কোটি টকাৰ আবণ্টন দিয়া হৈছে। এই পদক্ষেপে ৰাজ্যৰ গ্ৰামাঞ্চলৰ গৃহহীন আৰু দৰিদ্ৰ পৰিয়ালৰ নিজাকৈ এটা পকীঘৰ নিৰ্মাণৰ সপোন বাস্তৱায়িত কৰাৰ লগতে সমৃদ্ধিশালী গ্ৰাম্য অসম গঢ়াৰ যাত্ৰা সুদৃঢ় কৰিব বুলি শ্ৰীবৰাই আশা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ গ্ৰামাঞ্চল বিকাশৰ প্ৰতি এই সহযোগিতাৰ বাবে কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত গ্ৰামীণ ৰাইজৰ সৰ্বাংগীন কল্যাণ আৰু উন্নয়ন সুনিশ্চিত কৰিবলৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে সেৱা অব্যাহত ৰাখিব বুলি শ্ৰীবৰাই প্ৰকাশ কৰে।

০০০০০

মৰাণ স্বায়ত্বশাসিত পৰিষদৰ উদ্যোগত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ শিক্ষা বিভাগৰ উচ্চ শিক্ষা সাহায্য আঁচনিৰ অধীনত আজি মেধাবী শিক্ষাৰ্থীসকলক ১০ হাজাৰ টকাকৈ এককালীন সাহায্য বিতৰণ কৰা হয়। তিনিচুকীয়া জিলাৰ মানৱ কল্যাণ পূজা ভৱনত এই উপলক্ষে আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকে। শ্ৰীসোণোৱালে শিক্ষাৰ্থীসকলৰ উচ্চ শিক্ষাৰ সপোন পূৰণৰ দিশত এই আৰ্থিক সাহায্যই কিছু পৰিমাণে হ'লেও সকাহ দিব বুলি আশা প্ৰকাশ কৰে।

-বাইট-

শ্ৰীসোণোৱালে কয়, যে যুৱ প্ৰজন্মক জ্ঞান, শিক্ষা আৰু দক্ষতাৰে সমৃদ্ধ কৰি এখন আত্ম-নিৰ্ভৰ, বিকশিত আৰু শক্তিশালী ভাৰত গঢ়ি তোলাই হৈছে চৰকাৰৰ লক্ষ্য। অনুষ্ঠানত মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ, সাংসদ প্ৰদান বৰুৱা, বিধায়ক বলীন চেতিয়াকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি ডিব্ৰুগড়ত কাৰ্য্যবাহী দণ্ডাধীশ আৱাসিক চৌহদ প্ৰকল্পৰো উদ্বোধন কৰে। বিভিন্ন বিষয়াসকলৰ বাবে উন্নত আৱাসিক সুবিধা নিশ্চিত কৰাৰ জৰিয়তে তেওঁলোকক জনসেৱাৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিবলৈ উৎসাহিত কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে জিলাখনৰ প্ৰশাসনিক আন্তঃগাঁথনি শক্তিশালী কৰাৰ দিশত এই সংযোজন নিশ্চিতভাৱে এটা গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি উল্লেখ কৰে।

০০০০০

বিশ্ব নবী হজৰত মহম্মদৰ জন্ম দিন উপলক্ষে সমগ্ৰ দেশতে ইছলাম ধৰ্মাৱলম্বী লোকসকলে আজি ঈদ মিলাদ-উন-নবী  উদযাপন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই উপলক্ষে ইছলাম ধৰ্মাৱলম্বী লোকসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

অসমৰো বিভিন্ন স্থানত আজি হজৰত মহম্মদৰ জন্ম তিথি উপলক্ষে ফাতেহা দোৱাজ দাহম উদযাপন কৰা হৈছে। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাতশিঙিমাৰী মহাবিদ্যালয়ত আয়োজিত কাৰ্যসূচীত বিশ্ব শান্তি, সম্প্ৰীতি আৰু কল্যাণৰ বাবে দোৱা কৰা হয়। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি গজল পৰিবেশন, হজৰত মহম্মদৰ জীৱন আৰু আদৰ্শৰ ওপৰত ৰচনা আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। শিলচৰত এই উপলক্ষে কাচাৰ জিলা জুলুচ মহম্মদী কমিটিৰ উদ্যোগত ধৰ্মীয় শোভাযাত্ৰা উলিওৱা হয়। শান্তি-সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ বাৰ্তাৰে উলিওৱা এই শোভাযাত্ৰাত ভালেসংখ্যক ইছলাম ধৰ্মাৱলম্বী লোকে অংশগ্ৰহণ কৰে।

০০০০০

বাক্সা জিলাৰ সদৰ মুছলপুৰত আজি বি পি এফ দলৰ নীতি নিৰ্ধাৰক সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। বি টি চি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে অংশগ্ৰহণ কৰা বৈঠকত সমিতিৰ সদস্যসকলৰ লগতে কেইবাগৰাকীও বিধায়ক উপস্থিত থাকে। বৈঠকৰ পাছত সাংবাদিকৰে সৈতে হোৱা কথা-বতৰাত শ্ৰীমহিলাৰীয়ে আজিৰ বৈঠকত বি টি এ ডিৰ ৫ খন জিলাৰ অনুসূচিত জনজাতি পৰিষদ, ভূমি উপদেষ্টা পৰিষদ আৰু কেন্দ্ৰীয় বাছনি পৰিষদত একোগৰাকীকৈ বিজেপিৰ সদস্যক অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত গ্ৰহণৰ কথা সদৰী কৰে। তদুপৰি, বি টি চি

পৰিষদীয় সমষ্টি কাজলগাঁও আৰু ৰৌতাৰ উপ-নিৰ্বাচনত বি পি এফ দলৰ প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ সিদ্ধান্ত গ্ৰহণৰ কথাও বি টি চি প্ৰধানগৰাকীয়ে জানিবলৈ দিয়ে।

-বাইট(মহিলাৰী)-

বৈঠকত মনেশ্বৰ ব্ৰহ্ম, থানেশ্বৰ বসুমতাৰী, ৰবিৰাম নাৰ্জাৰীকে ধৰি কেইবাগৰাকীও বিধায়ক উপস্থিত থাকে।

০০০০০

বিশিষ্ট সমাজবাদী ৰাজনীতিক, স্বাধীনতা যুঁজাৰু, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ তথা অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠান অহা ২৯ আগষ্টত গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত আয়োজন কৰা হৈছে। গুৱাহাটী প্ৰেছ ক্লাবত আজি এটা সংবাদমেলত গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষ উদযাপন সমিতিৰ নেতৃবৰ্গই এই বিষয়ে প্ৰকাশ কৰে। অনুষ্ঠানত গোলাপ বৰবৰাৰ জীৱনজোৰা কৰ্মৰাজি সন্দৰ্ভত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপচাৰ্য্য ড০ অমৰজ্যোতি চৌধুৰী, নতুন দিল্লীৰ ড০ ৰাম মনোহৰ লোহিয়া ৰিচাৰ্ছ ফাউণ্ডেচনৰ অধ্যক্ষ অভিষেক ৰঞ্জন সিং আৰু জ্যেষ্ঠ সাংবাদিক প্ৰশান্ত ৰাজগুৰুৱে আলোকপাত কৰিব। অনুষ্ঠানত হিন্দ মজদুৰ সভাৰ সৰ্বভাৰতীয় সাধাৰণ সম্পাদক তথা ট্ৰেড ইুনিয়নৰ নেতা হৰভজন সিং সিন্ধু মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। উল্লেখযোগ্য যে, গোলাপ বৰবৰাই হিন্দ মজদুৰ সভাৰ অসম ৰাজ্যিক সমিতি আৰু উত্তৰ পূব সীমান্ত ৰে'লৱেৰ মজদুৰ ইউনিয়নৰ সভাপতিৰ দায়িত্ব বহন কৰাৰ উপৰি অসংগঠিত বিভিন্ন শ্ৰমিক আন্দোলনৰো নেতৃত্ব দিছিল। অনুষ্ঠানৰ লগত সংগতি ৰাখি ড০ পৰমানন্দ মজুমদাৰৰ দ্বাৰা সম্পাদিত গোলাপ বৰবৰা ৰচনাৱলীৰ দ্বিতীয় সংস্কৰণ মুকলি কৰা হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে খেলো ইণ্ডিয়া কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ অংশ হিচাপে **মেৰা যুৱা ভাৰতে** দেশজুৰি এই কাৰ্য্যসূচীৰ আয়োজন কৰিছে। ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ প্ৰতিখন জিলাৰ দুখনকৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এই কাৰ্যসূচীত অংশ ল'ব। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰ্যালয়ৰ উদ্যোগত কাইলৈ দিনৰ ১০ বজাৰ পৰা এই কাৰ্যসূচী অনুষ্ঠিত হ'ব। ৰাজ্যৰ টিহু মহাবিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে প্ৰধানমন্ত্ৰী শ্ৰী মোদীৰ সৈতে ভাৰ্চুৱেলী মত বিনিময় কৰিব।

০০০০০

অসম টেনিছ সন্থাৰ উদ্যোগত গুৱাহাটীৰ চচলস্থিত টেনিছ সন্থাৰ চৌহদত চলি থকা আই টি এফ ৱৰ্ল্ড টেনিছ মাষ্টাৰ্ছ এম টি -২০০ প্ৰতিযোগিতাৰ ক্ৰমে ৪৫, ৫৫ আৰু ৬৫ বছৰ উৰ্দ্ধৰ তিনিটাকৈ বয়স শাখাৰ ছেমি ফাইনেল পৰ্যায়ৰ আটাইকেইখন খেল আজি অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ ডাবলছ শাখাৰ কোৱাৰ্টাৰ ফাইনেল খেলসমূহো আজি অনুষ্ঠিত হৈছে। কাইলৈ আন আন শাখাৰ ছেমি ফাইনেল খেলসমূহ অনুষ্ঠিত হোৱাৰ লগতে পৰহিলৈ প্ৰতিযোগিতাৰ অন্তিম দিনা সকলো শাখাৰ চূড়ান্ত খেলসমূহ অনুষ্ঠিত হ'ব।

০০০০০

কলম্বোত চলি থকা দ্বিতীয় তথা অন্তিমখন টেষ্ট খেলৰ আজি চতুৰ্থ দিনৰ খেল শেষ হোৱাৰ পৰলৈকে আয়োজক শ্ৰীলংকাই নিজৰ দ্বিতীয় ইনিংছত ছটা উইকেট হেৰুৱাই ২২৯ ৰাণ সংগ্ৰহ কৰিছে। শ্ৰীলংকাই ভাৰতত‌কৈ ১৬ ৰাণৰ অগ্ৰগতি লাভ কৰিছে।  ইয়াৰ পূৰ্বে ভাৰতৰ বিৰুদ্ধে আজি শ্ৰীলংকাই নিজৰ প্ৰথম

ইনিংছত ২৯০ ৰাণত অলআউট হোৱাৰ পাছত ফ'ল' অনৰ সন্মুখীন হয়। ভাৰতৰ হৈ প্ৰসিদ্ধ কৃষ্ণ আৰু মানৱ সুথাৰে তিনিটাকৈ উইকেট দখল কৰে।

ভাৰত সম্প্ৰতি দুখনীয়া টেষ্ট শৃংখলাটোত ১-০ত আগবাঢ়ি আছে।

০০০০০

ধেমাজিৰ ভেহপৰা গাঁও নিবাসী কণ্ঠশিল্পী, সংগীত পৰিচালক মাধুৰ্য্য বুঢ়াগোহাঁইৰ কালি নিশা দিল্লীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৪৯ বছৰ। পছোৱা, সোণালী, ৰাংঢালি আদিকে ধৰি ৯০ দশকৰ বহু জনপ্ৰিয় বিহু গীতৰ কেছেটত প্ৰায় ৩০০ৰো অধিক বিহুগীত আৰু বিহুসুৰীয়া আধুনিক গীতত কণ্ঠদান কৰা শিল্পীগৰাকীয়ে প্ৰায়বোৰ গীত নিজে ৰচনা আৰু সুৰ কৰিছিল। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০

সমাপ্ত